# জন্মৰ প্ৰমাণ-পত্ৰৰ বেহা

## ধনশিৰিত নীৰৱ দৰ্শক প্ৰশাসন

জনসাধাৰণ সেৱা, ধনশিৰি, ২ অক্টোবৰ ঃ গোলাঘাট জিলাৰ মেৰাপানী, উৰিয়ামঘাট, ভিতৰ চুঙাজান, নাওজান, সৰুপথাৰ, বৰপথাৰ আদি এলেকাতো জন্মৰ প্ৰমাণ-পত্ৰ ভুৱাকৈ প্ৰস্তুত কৰি সন্দেহজনক নাগৰিকক টকাৰ বিনিময়ত দি অহাৰ অভিযোগ উঠিছে। এই বিশেষ দুষ্ট চক্ৰটোৱে অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাট, নাওজান, চুঙাজান এলেকাত থিতাপি লৈ জন্মৰ ভুৱা প্ৰমাণ-পত্ৰ সন্দেহজনক লোকৰ মাজত বিতৰণ কৰিছে আৰু এইদৰে ভুৱাকৈ প্ৰস্তুত কৰা জন্মৰ প্ৰমাণ-পত্ৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰৰ লগত ইতিমধ্যেই গাঁঠি দি জমা দিয়াৰ অভিযোগ উঠিছে। উল্লেখ্য যে জন্মৰ প্ৰমাণ-পত্ৰৰ একেটা ক্ৰমিক নম্বৰৰ বিপৰীতে চাৰি-পাঁচজন লোকৰ নামত জন্মৰ প্ৰমাণ-পত্ৰ প্ৰস্তুত কৰি বিতৰণ কৰা বুলিও জানিব পৰা গৈছে।

জনসাধাৰণ
3/9/15